# অলংকাৰৰ শ্ৰেণীবিভাগ

ৰুদ্ৰটে কৈছে যে হৃদয়াহ্লাদক যিমান প্ৰকাৰ অৰ্থ হব পাৰে অলংকাৰৰ সংখ্যাও সিমান।[১২] নতুন নতুন অলংকাৰৰ সৃষ্টি হৈয়ে থাকে। প্ৰতিভাশালী কবিৰ নিৰ্মাণ দক্ষতা আৰু কাক বোলে? সেইকাৰণে বহুদৰ্শী আচাৰ্য দণ্ডীয়েও হাৰ মানি কৈছিল— "কস্তান্ কাৰ্ৎস্ন্যেন বক্ষতি।" সেই সমুদায় অলংকাৰৰ কথা কৈ কোনে অন্ত পেলাব? ভৰতমুনিয়ে চাৰিটা অলংকাৰৰ কথাহে কৈছিল। পিছলৈ কাব্যৰ সমৃদ্ধি বাঢ়ি যোৱাৰ লগে লগে অলংকাৰৰ সংখ্যা গৈ এশৰ ঘৰত সোমাল। ইয়াৰ ভিতৰত কিছুমান বৈচিত্ৰ্যহীন আৰু কিছুমান আন অলংকাৰৰ বুকুত জাহ নিয়াব পৰা বিধৰ। সামান্য বিশেষত্বৰ ওপৰত গুৰুত্ব দি বিভিন্ন নামেৰেও অলংকাৰৰ সংখ্যা বঢ়োৱা হৈছে। কিছুমান অলংকাৰক অলংকাৰ বুলি পিছৰ আচাৰ্যসকলে স্বীকাৰকে কৰিব নোখোজে। আচাৰ্য দণ্ডীয়ে স্বাভাৱোক্তি অলংকাৰক প্ৰথম স্থান দি আদিতে বৰ্ণাইছে, কিন্তু কুন্তকে আকৌ স্বাভাৱোক্তিক অলংকাৰ বুলি কওঁতাসকলক সমালোচনা কৰি কৈছে যে যিসকলে স্বাভাৱোক্তিক অলংকাৰ বুলি কয় তেওঁলোকৰ অলংকাৰ্য বুলিবলৈ কি বাকী থাকিল।[১৩] বস্তুৰ যথাবৎ বৰ্ণনা যদি মনোহৰী হয় তেতিয়া স্বভাৱোক্তি অলংকাৰ হয়। শব্দাৰ্থৰূপ বস্তুৰ বৰ্ণনা হল আমাৰ অলংকাৰ্য তাক সজাই পৰাই মনোজ্ঞ কৰিবলৈহে অলংকাৰ লাগে। যেনে বস্তু তেনে বৰ্ণনাই যদি অলংকাৰ হয় তেনেহলে অংলকাৰৰ আধাৰ অলংকাৰ্য একোৱেই নাথাকে। গতিকে স্বভাৱোক্তিক অলংকাৰ বুলি কব নোৱাৰি— এই হ'ল কিছুমানৰ মত। এইদৰে ৰসবৎ প্ৰেয়ঃ আদি অলংকাৰক ৰসবাদীসকলে অলংকাৰত্ব দিব নোখোজে। তেওঁলোকৰ মতে ৰস প্ৰধান বস্তু— অংগী, অলংকাৰ হ'ল অৱয়বৰ বস্তু, গৌণ অৰ্থত অৱয়ব। ৰসবৎ অলংকাৰ স্বীকাৰ কৰিলে অংগীকে অংগ বুলি কব লাগিব। এতেকে তেওঁলোকে এইবিলাকক অলংকাৰৰ পংক্তিলৈ নমাব নোখোজে। এইদৰে আলংকাৰিকসকলৰ মাজত কোনটো অলংকাৰ আৰু কোনটো নহয় এই সম্পৰ্কে মতভেদ আছে।

অলংকাৰৰ সংখ্যা বাঢ়ি যোৱাৰ পিছত সেইবিলাকৰ ধাৰণা সুস্থিৰ কৰিবৰ অৰ্থে কোনো আলংকাৰিকে সেইবিলাকৰ মাজত থকা মিলটোলৈ লক্ষ্য ৰাখি শ্ৰেণীবিভাগ কৰি দেখুৱাইছে। অলংকাৰ সৰ্বস্বত ৰাজানক ৰুয্যকে এনে এটা বিজ্ঞানসন্মত শ্ৰেণীবিভাগ কৰি অলংকাৰৰ বৰ্ণনা দিছে। ৰুয্যকে অলংকাৰবিলাকক সাত ভাগে ভগাইছে— (১) সাদৃশ্যগৰ্ভ, (২) বিৰোধ গৰ্ভ, (৩) শৃংখলাবদ্ধ, (৪) তৰ্ক ন্যায়মূলক, (৬) লোকন্যায়মূলক, আৰু (৬) গূঢ়াৰ্থপ্ৰতীতিমূলক। এই ভেদ অৰ্থলংকাৰ বিষয়ক। অৰ্থালংকাৰৰ বিষয়ে কওঁতে এই ভেদবোৰৰ যথাস্থানত ব্যাখ্যা কৰা হ'ব।

**দ্বিতীয় প্ৰকাৰ বিভাগ ঃ** অলংকাৰৰ প্ৰধান বিভাগ দুটা, আৰু সকলো আলংকাৰিকে এই দুটা বিভাগ স্বীকাৰ কৰিছে। অলংকাৰৰ প্ৰধান বিভাগ দুটা হ'ল— শব্দালংকাৰ আৰু অৰ্থালংকাৰ। ইয়াৰ উপৰিও শব্দালংকাৰ আৰু অৰ্থালংকাৰ এই দুয়োটাৰে লক্ষণ থকা তৃতীয় এটা বিভাগ আছে, তাৰ নাম উভয়ালংকাৰ। পিছে এই তৃতীয় বিধৰ কাৰণে সুকীয়া চৰ্চা অলংকাৰ শাস্ত্ৰত বেছিকৈ নাই। শব্দালংকাৰ য'ত প্ৰবল তাক শব্দালংকাৰ বুলিয়ে ধৰিব পাৰি আৰু অৰ্থালংকাৰৰ গুণ প্ৰবল হলে অৰ্থালংকাৰৰ শাৰীত থ'ব পাৰি। গতিকে অনুচিত জটিলতাৰ হাত সাৰিবলৈ অলংকাৰ ঘাইকৈ দুবিধ বুলি কৈ থোৱাই ভাল হ'ব।

**শব্দালংকাৰ ঃ** যি অলংকাৰে ভাব সাৰ্থকতাৰ কাৰণে সম্পূৰ্ণকৈ শব্দৰ ওপৰত নিৰ্ভৰ কৰে তাক শব্দালংকাৰ বোলে। এটা শব্দৰ প্ৰয়োগৰ ফলত যদি অলংকাৰ হয় আৰু সেই শব্দটো উঠাই লৈ তাৰ ঠাইত একে অৰ্থৰ আন এটা শব্দ ব্যৱহাৰ কৰিলে যদি অলংকাৰ হৈ নাথাকে তেনেহলে সেই অলংকাৰ-শব্দ নিৰ্ভৰশীল। গতিকে তাক শব্দালংকাৰ বোলা হয়। এটা উদাহৰণ ফঁহিয়াই চালে কথাটো মুকলি হ'ব ঃ

"পাতু ৱো ভগৱান ৱিষ্ণুঃ সদা নৱঘনদ্যুতিঃ
দানৱকুলধ্বংসী সদান ৱৰদন্তিহা।।"

— কুবলয় নামৰ মদমত্ত শ্ৰেষ্ঠহাতীৰ হন্তা দানৱকুলৰ ক্ষয়কাৰী নৱঘনশ্যাম বিষ্ণুৱে তোমালোকক সদায় ৰক্ষা কৰক।

ইয়াত প্ৰথম শাৰীৰ 'সদা নৱঘনদ্যুতি' আৰু পিছৰ শাৰীৰ 'স দানৱকুলধ্বংসী' এই দুয়ো ঠাইত 'স দানৱ' এই একে অনুক্ৰমে থকা বৰ্ণ সমুদায় দুবাৰ প্ৰযুক্ত হৈছে, কিন্তু অৰ্থ দুয়ো ঠাইতে পৃথক। আগৰ শাৰীত সদা (সদায়) নৱঘনদ্যুতি (নতুন মেঘৰ কান্তি) এই অৰ্থ। পিছৰ শাৰীত স (সেই) দানৱকুলধ্বংসী (দানৱ কুল নাশ কৰোঁতা) এই অৰ্থ পালে। এইৰূপে 'স দানৱ' এই অংশৰ অৰ্থ বেলেগ

হৈ পৰিল। ইয়াত এক বৰ্ণগুম্ফৰ দুবাৰ বেলেগ অৰ্থত ব্যৱহৃত হোৱাত যমক অলংকাৰ হৈছে। এতিয়া যমক নো শব্দালংকাৰ কিয় চোৱা যাওক। ইয়াত যদি পিছৰ 'স দানৱকুলধ্বংসী' এই অংশৰ 'দানৱ' শব্দটো গুচাই 'ৰাক্ষস' শব্দটো প্ৰয়োগ কৰোঁ তেনেহ'লে হ'ব 'স ৰাক্ষসকুলধ্বংসী'। এতিয়াও অৰ্থ একেই থাকিল আৰু ছন্দৰো পতন নহ'ল, কিন্তু যমক অলংকাৰ উৰি গ'ল। 'সদানৱ' আৰু 'স দানৱ এই যমক অলংকাৰ থাকিবলৈ দানৱ শব্দ অপৰিহাৰ্য, কাৰণ দানৱ শব্দৰ ওপৰতে এই শ্লোকত যমক অলংকাৰৰ অস্তিত্ব নিৰ্ভৰ কৰিছে। সেইদৰে আগৰ শাৰীৰ 'সদা'ৰ ঠাইত 'নিত্য' শব্দ লগালেও 'সদানৱ' এই পৰম্পৰাযুক্ত বৰ্ণসমুদায়ৰ 'সদা' অংশটো নোহোৱা হ'ব। এতেকে দেখা গ'ল যমকৰ অস্তিত্ব শব্দৰ ওপৰত নিৰ্ভৰ কৰে আৰু সেইদেখি ই শব্দালংকাৰ।

**অৰ্থালংকাৰ ঃ** অৰ্থালংকাৰত অলংকাৰৰ সাৰ্থকতা বা অস্তিত্ব নিৰ্ভৰ কৰে অৰ্থৰ ওপৰত। শব্দৰ পৰিবৰ্তন কৰি একে অৰ্থযুক্ত আন শব্দ ব্যৱহাৰ কৰিলেও অলংকাৰ উৰি নাযায় বা ক্ষুণ্ণ নহয়। অৰ্থৰ প্ৰাধান্য থকা কাৰণে আৰু শব্দ অপ্ৰধান কাৰণে এনে অলংকাৰক অৰ্থালংকাৰ বোলে। শব্দ পৰিবৰ্তনৰ সম্ভৱপৰতাই অৰ্থালংকাৰৰ লক্ষণ।

'ত্বয়া নীলোৎপলং কৰ্ণে স্মৰেণান্ত্ৰং শৰাসনে
ময়াপি মৰণে চেতস্ত্ৰয়মেতৎ সমং কৃতম্।।"

"হে প্ৰিয়ে, তুমিও নীল পদুম কাণত, কামদেৱেও ধনুত বাণ আৰু ময়ো মৰণত মন একেসময়তে দিলোঁ।" অৰ্থাৎ তুমি যেতিয়া কটাক্ষ হানিলা (নীল পদুমে চকুক বুজাইছে— চকু কাণত দিয়াৰ অৰ্থ হ'ল কাণৰ ফালে দৃষ্টি পেলোৱা বেঁকা চাৱনি) মই কাম শৰত দগ্ধ হৈ বিৰহত মৰণকে শৰণ কৰিলোঁ।

ইয়াত উপমান 'নীলোৎপলে' উপমেয় চকুৰ অতিশয়োক্তি আৰু 'সমং কৃতম্' এই ক্ৰিয়াই আটাইকেইটা বৰ্ণনীয় বিষয়ৰ হৈ কাম কৰাত তুল্যযোগিতা অলংকাৰ হৈছে। এতিয়া যদি শব্দকেইটা সলাই আমি শ্লোকটো এনেকৈ ৰচোঁ ঃ

ত্বয়া নীলাম্বুজং কৰ্ণে কামেনাস্ত্ৰং শৰাসনে
ময়াহপি নিধনে চিত্তং ত্ৰয়মেতৎ সমং কৃতম্।

তেতিয়াও অলংকাৰৰ হানি নঘটে। ইয়াত নীলোৎপলৰ ঠাইত নীলাম্বুজ, 'স্মৰেণ'ৰ ঠাইত 'কামেন', 'মৰণে' গুচাই 'নিধনে', 'চেতঃ' নুবুলি 'চিত্তম' ইমানবোৰ শব্দৰ পৰিবৰ্তন কৰা হ'ল তথাপি যি অতিশয়োক্তি সেই অতিশয়োক্তিয়েই ৰৈ গ'ল আৰু তুল্যযোগিতাও হৈয়ে থাকিল। এতেকে এইবোৰ অৰ্থালংকাৰ।

সাহিত্যত দোষ গুণ অলংকাৰ আদিৰ যি শব্দগত আৰু অৰ্থগত বিভাগ কৰা

হয় তাক অন্বয় আৰু ব্যতিৰেকৰদ্বাৰা স্থিৰ কৰা হয়।

এটা বস্তু থাকিলে আন এটা বস্তু লগতে থকাকে অন্বয় বোলে, আৰু এটা বস্তু নাথাকিলে আনটো নথকাকে ব্যতিৰেক বোলে। অন্বয় আৰু ব্যতিৰেক এই দুই পৰীক্ষাৰ সহায়ত শব্দালংকাৰ নে অৰ্থালংকাৰ এই কথাৰ ঠাৱৰ হয়। যদি কোনো শব্দ থাকিলে অলংকাৰ থাকে আৰু সেই শব্দ নাথাকিলে অলংকাৰ নাথাকে তেনেবিধৰ শব্দৰ পৰিবৰ্তন সহিব নোৱাৰা অলংকাৰ শব্দালংকাৰ। যেতিয়া কোনো বিশেষ অৰ্থ নোহোৱা হলে অলংকাৰো নাথাকে তেতিয়া অৰ্থৰ ওপৰত ব্যৱস্থিত বাবে তাক অৰ্থালংকাৰ বোলে। এই কথা শব্দদোষ, শব্দগুণ, অৰ্থদোষ বা অৰ্থগুণ আদিৰ বেলিকাও মনত ৰাখিব লাগে। এটা শব্দ ব্যৱহাৰ কৰাৰ পৰা যদি ৰচনা দোষমুক্ত হয় আৰু সেই শব্দ নাৰাখি তাৰ সলনি একে অৰ্থৰ আন এটা শব্দ ব্যৱহাৰ কৰিলেই যদি ৰচনাত দোষ নোহোৱা হয় তেনেহলে তাক শব্দদোষ বুলি কব লাগিব। এইদৰে গুণ, দোষ আৰু অৰ্থলংকাৰৰ শব্দগত আৰু অৰ্থগতত্ত্ব অন্বয় ব্যতিৰেকৰদ্বাৰা ব্যৱস্থিত হয়।

**উভয়ালংকাৰ ঃ** কেতিয়াবা অলংকাৰ ঘটক কেইবাটাও শব্দৰ কোনো এটা সলাই সেই অৰ্থৰ আন শব্দ লগালে অলংকাৰ নাথাকে আৰু সেই অলংকাৰ ঘটক কোনোটো পদ উঠাই তাৰ বেলেগ শব্দ দিলেও অলংকাৰ থাকি যায়। এনেবোৰ স্থলত অলংকাৰৰ শব্দগত আৰু অৰ্থগত দুয়োটাগুণেই থাকে। এই ধৰণৰ অলংকাৰকৈ মম্মটাদি আচাৰ্যই উভয়ালংকাৰ বুলি কৈছে। পুনৰুক্তবদাভাস নামৰ অলংকাৰটো এই শ্ৰেণীত পৰে। দুটা উদাহৰণ চোৱা যাওক ঃ

১। তনুবপুৰজঘন্যোহসৌ হৰিঃ।

২। গজকুঞ্জৰকৃত্তিভৃন্ মহেশঃ।।

প্ৰথম উদাহৰণত 'তনু' আৰু 'বপু' দুয়োটা শব্দৰে একে অৰ্থ শৰীৰ। দ্বিতীয় উদাহৰণত 'গজ' আৰু 'কুঞ্জৰ' দুয়োটা শব্দই হাতীক বুজায়। দেখাত এই দুই স্থলত পুনৰুক্তি — পিছে নহয়।

প্ৰথম উদাহৰণত তনু মানে কৃশ — আৰু বাক্যটোৰ অৰ্থ হ'ল— এই হৰি বালক (কৃষ্ণ) সৰু শৰীৰৰ হলেও (ল'ৰা মানুহ) অমিত বলশালী।

দ্বিতীয় উদাহৰণত গজ মানে হাতী, কিন্তু কুঞ্জৰ মানে শ্ৰেষ্ঠ— অৰ্থ হ'ল— শ্ৰেষ্ঠ গজৰ চৰ্ম পৰিধানকাৰী মহেশ শিৱ।

এতিয়া এই দুয়োটা উদাহৰণত তনু আৰু কুঞ্জৰ শব্দ দুটা সলাই দিলে অলংকাৰ নাথাকে। কাৰণ শৰীৰকো বুজায়, আকৌ কৃশ অৰ্থও দিব পাৰে, এনে আন শব্দ

এটা নাই। কৃশতাৰ বোধক আন শব্দ এটা দিলেও পুনৰুক্তিৰ আভাস নথকা হয় আৰু পুনৰুক্তবদাভাস অলংকাৰ হৈ নাথাকে। সেইদৰে কুঞ্জৰ শব্দটো গুচাই ৰাজ, শ্ৰেষ্ঠ, ইন্দ্ৰ আদি যি শব্দকে নিদিওঁ শ্ৰেষ্ঠ অৰ্থ বুজাব। বুজাবহে পুনৰুক্তবদাভাস অলংকাৰ হলে তিৰোহিত হব। আনহাতে বপু শব্দৰ ঠাইত শৰীৰ, গজ শব্দৰ ঠাইত কৰী, হস্তী, যেই সেই এটা শব্দকে লগাব পাৰোঁ। অৰ্থৰো ক্ষতি নহয়, পুনৰুক্তাভাসত অলংকাৰো ৰজি থাকে। তনু আৰু কুঞ্জৰ শব্দৰ পৰিবৰ্তন সম্ভৱ নহয় কাৰণ এই দুটা শব্দৰ ওপৰতে এই ক্ষেত্ৰত অলংকাৰ নিৰ্ভৰ কৰিছে। অলংকাৰৰ এই অংশ শব্দালংকাৰ। বপু আৰু গজ শব্দৰ পৰিবৰ্তন সম্ভৱ হয় কাৰণ শব্দতকৈ অৰ্থহে প্ৰধানৰূপে আছে। অলংকাৰৰ এই অংশত পাওঁ অৰ্থালংকাৰৰ লক্ষণ। এতেকে এই পুনৰুক্তাবদাভাস অলংকাৰত শব্দগত আৰু অৰ্থগত দুয়োটা গুণ থকাত ইয়াক উভয়ালংকাৰ বোলা হয়। অন্বয়-ব্যতিৰেকৰদ্বাৰাই এইটো স্থিৰ কৰা হৈছে।

ৰুয্যক আদি কোনো আলংকাৰিকে অলংকাৰৰ শব্দগতত্ব বা অৰ্থগতত্ব নিৰ্ণয় কৰিবলৈ অন্বয় ব্যতিৰেকৰ সহায়তা লবৰ প্ৰয়োজন আছে বুলি নাভাবে। ৰুয্যকৰ মতে অলংকাৰ শব্দৰ নে অৰ্থৰ তাক স্থিৰকৰা হয় আশ্ৰয়াশ্ৰয়ীভাব সম্বন্ধৰ নিৰ্ণয় কৰি।[১৪] আশ্ৰয়— য'ত আশ্ৰয় লোৱা হয়, তাকে আধাৰ বুলিও কব পাৰি আৰু আশ্ৰয়ী হ'ল যি আশ্ৰয় লয়। আশ্ৰয় আৰু আশ্ৰয়ীৰ ভিতৰত থকা সম্বন্ধটোক আশ্ৰয়াশ্ৰয়ী সম্বন্ধ বোলে। আমি সাধাৰণ কথাবাৰ্তাত এই সম্বন্ধৰ ওপৰত নিৰ্ভৰ কৰিহে বস্তুৰ ভেদ কৰোঁ। পানী কাৰো সুকীয়া সম্পত্তি নহয় তথাপি আমি সাগৰৰ পানী, পুখুৰীৰ পানী, এইদৰে পানীৰ শ্ৰেণীভেদ কৰোঁ। সেইদৰে গৰুৰ গাখীৰ বা ম'হৰ গাখীৰ বুলিও কওঁ। প্ৰকৃততে সাগৰ আশ্ৰয়, পানী আশ্ৰয়ী। এই সম্বন্ধৰ বলতে আমি সাগৰৰ পানী বা পুখুৰীৰ পানী বোলোঁ। ৰুয্যকৰ মতে অলংকাৰ শব্দৰ নে অৰ্থৰ এই কথাকো স্থিৰ কৰিবলৈ হ'লে অলংকাৰৰ আশ্ৰয় শব্দ নে অৰ্থ সেইটো স্থিৰ কৰিব লাগে। অলংকাৰৰ আশ্ৰয় যেতিয়া শব্দ তেতিয়া তাক শব্দালংকাৰ আৰু তাৰ আশ্ৰয় যেতিয়া অৰ্থ হব তেতিয়া তাক অৰ্থালংকাৰ বুলি চিনাক্ত কৰিব লাগে। মুঠ কথা শব্দক সুন্দৰ কৰা শব্দাশ্ৰিত অলংকাৰেই হ'ল শব্দালংকাৰ, অৰ্থক সুন্দৰ কৰা অৰ্থাশ্ৰিত অলংকাৰেই অৰ্থালংকাৰ। শব্দালংকাৰত অলংকাৰৰ সৌন্দৰ্য বৰ্ণ-নিৰ্ভৰ। অৰ্থৰহে সৌন্দৰ্য বঢ়ায় দেখি অৰ্থালংকাৰত সৌন্দৰ্য অৰ্থ-নিৰ্ভৰ।